# চেতনা

DIBRUGARH H. S. KANOI COLLEGE
LIBRARY
Accession No.
G-H 374

শ্ৰীগোৰীন্দ্ৰপ্ৰসাদ বৰুৱা

D.H.S.K. College Library
Accession No. 374
Dibrugarh

Data Entered

# চেতনা

—ঃ একাঙ্কিকা ঃ—

শ্ৰীসৌৰীন্দ্ৰপ্ৰসাদ বৰুৱা
নআলি, যোৰহাট

L NO. 891.452
BAR

**Chetana :**—An Assamese One-act PIay by Shree Saurindra-prasad Barua and published by the author, Na Ali Jorhat.

প্ৰকাশক
শ্ৰীসৌৰীন্দ্ৰপ্ৰসাদ বৰুৱা
ন আলি, যোৰহাট

প্ৰথম প্ৰকাশ
জুন, ১৯৬৬ চন

মূল্য—৭৫ পয়চা

ছপা কৰোঁতা
শ্ৰীনাৰায়ণচন্দ্ৰ বছাক, বি-কম
**জয়শ্ৰী প্ৰেছ**
৯১।১ বি, বৈঠকখানা ৰোড
কলিকতা-৯

PRESENTED BY
PROF. RATANLAL JAIN

# আমাৰ কথা

সৰ্ব্বপ্ৰথমে 'চেতনা' নাটখন ছপা কৰাৰ উপযোগী কৰি চাই দিয়াৰ বাবে স্বনামধন্য সাহিত্যিক শ্ৰদ্ধেয় শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাদেৱৰ প্ৰতি মই চিৰকৃতজ্ঞ। তেখেতৰ বহুমূলীয়া উপদেশ আৰু উৎসাহৰ বলতেই 'চেতনা'খন ছপা কৰিবলৈ মই সক্ষম হলোঁ। ভয়ে ভয়ে নাটখন চাই দিবলৈ কোৱাত তেখেতে মোক যি উৎসাহ আৰু অনুপ্ৰেৰণা যোগালে সেই কথা পাহৰিব নোৱাৰোঁ। তেখেতৰ আশৰ্ব্বাদকে লৈ মই মোৰ প্ৰথম নাটখন ৰাইজে মৰমৰ চকুৰে চোৱাৰ আশাৰে আগবঢ়ালোঁ। ভুলখিনি পঢ়ুৱৈসকলে ক্ষমাৰে মৰষিলে কৃতাৰ্থ হৈ ৰ'ম।

এই নাটিকাখন ৪ এপ্ৰিল ১৯৬২ চনৰ দিনা লিখা হৈছিল। লিখা হোৱাৰ পিছতেই ৯ এপ্ৰিল '৬২ চনত যোৰহাটৰ তথা অসমৰ বিশিষ্ট শিল্পী স্বৰ্গীয় দৰ্পনাথ শৰ্ম্মাদেৱৰ সোঁৱৰণী প্ৰতিযোগিতাত অভিনীত হোৱাত প্ৰথম স্থান লাভ কৰে। নাটখনিৰ বিভিন্ন চৰিত্ৰত ৰূপ দিছিল যোৰহাটৰ উদীয়মান শিল্পী অভিনেতা শ্ৰীধৰণীধৰ বৰুৱা, শ্ৰীৰাণা আলি, শ্ৰীমাখন খাউণ্ড, শ্ৰীদ্বীজেন ফুকন, শ্ৰীপৰাণ বৰবৰা, শ্ৰীসুৰেন শৰ্ম্মা আৰু শ্ৰীমতী মালৱিকা দাসে। নাটৰ নেপথ্যত শ্ৰীনুৰুল হকে কোৱা কথাবোৰে অভিনয়ৰ সৌন্দৰ্য্য বঢ়াইছিল। আবহ সঙ্গীতত শ্ৰীপ্ৰদীপ গোল্ডস্মিথ, শ্ৰীনৃত্যেন বেজবৰুৱা, শ্ৰীইন্দ্ৰ খাউণ্ড আৰু শ্ৰীৰোহিণী বৰুৱাই স্পষ্ট আৰু সময়মতে প্ৰতিটো ঘটনা দাঙি ধৰাত তেওঁলোকলৈ মোৰ শলাগ আৰু শুভেচ্ছা থাকিল।

দ্বিতীয়বাৰৰ কাৰণে দেৱীচৰণ বৰুৱা কলেজৰ একাঙ্কিকা নাট-প্ৰতিযোগিতাত শ্ৰীমতী শিখা শৰ্ম্মা, শ্ৰীমতী জয়মতী ফুকন আৰু তেওঁলোকৰ বান্ধৱীবিলাকে সুন্দৰ অভিনয় কৰি তৃতীয় স্থান অধিকাৰ

কৰে। নাটখনৰ চৰিত্ৰ সুন্দৰৰূপে ৰূপায়ণ কৰাত তেওঁলোকৰো মই শলাগ ললোঁ।

নাটকৰ ঘটনাৱলীৰ বিষয়ে পৰামৰ্শ কৰোঁতে বিশেষভাৱে সহায় কৰিছিল শ্ৰীধৰণীধৰ বৰুৱা, শ্ৰীনৃত্যেন বেজবৰুৱা আৰু ডাঃ শ্ৰীসুনীল বৰুৱাই। আলোক-নিয়ন্ত্ৰণত শ্ৰীআমিনুৰ ৰহমানৰ ইন্ধন বহুখিনি। তেখেতসকলৰ ওচৰত শ্ৰদ্ধাৰে কৃতজ্ঞ।

—সৌৰীন্দ্ৰপ্ৰসাদ বৰুৱা ( চুনি )

যোৰহাট, ১৭।২।৬৬

# একেষাৰ

বৰ্ত্তমানে অসমীয়া নাট্যসাহিত্য আৰু অসমৰ ৰঙ্গমঞ্চত একাঙ্কিকা অচিন আলহী নাইবা ৰজাঘৰীয়া ছাউনিত চৰকাৰি সিধা খাই দিন অতিবাহিত কৰা ভগনীয়া ভকত হৈ থকা নাই। নাট্যসাহিত্যৰ এই ঠালটোৰ গুৰিগছ, আকাৰ-প্ৰকাৰ আৰু গুণাগুণৰ বিষয়েও ইতিমধ্যে কলামোদী ৰাইজে নজনাকৈ থকা নাই। মহাপুৰুষ মাধৱদেৱৰ জুমুৰা কেইখনিক অসমীয়া একাঙ্কিকাৰ আজোককা বুলি ধৰি ললেও তাৰ লগত যে পৰিনাতি অসমীয়া অকাঙ্কিকাৰ তেজৰ সম্পৰ্ক নাই সেইটো দেখ দেখ কথা। দৰাচলতে পুৰণি বাঁহীৰ বুকুৰ পৰা বোটলা আৰু বৰ্ত্তমানে পুথিৰ আকাৰত প্ৰকাশ হোৱা বেজবৰুৱাৰ চ'ৰাঘৰীয়া নাট গদাধৰ ৰজাকহে—পোনপ্ৰথম অসমীয়া একাঙ্কিকা স্বৰূপে সিংহপীৰাত বহুৱাব পাৰি। বহুতৰ মতে একাঙ্কিকাবোৰ বতৰুৱা ফুল—বতৰত ফুলে আৰু বতৰ শেষ হোৱাৰ লগে লগে মৰহি যায়। সেয়ে হলেও ইয়াৰ যে স্বকীয় সৌন্দৰ্য্য আৰু মাধুৰ্য্য নাই এনে কথা মানি লব নোৱাৰি। নাৰ্জ্জি বা গেন্ধাইমালতী ফুলো জানো বতৰুৱা ফুল নহয়? তথাপিতো ই দেখোন গোসাঁইতো লাগে, ভকততো লাগে। মোক তোল, মোক তোল কৰা আবতৰায়া বেঙেনা জুতি লগাই খাব নোৱাৰিলেও বাছি-বিচাৰি লব জানিলে বতৰুৱা ফুলেৰে বুলনি শুৱনি কৰা ফুলদানী সজাব পাৰি আৰু তাক গোসাঁইঘৰলৈ নি পুষ্পপাত্ৰতো থব পাৰি। সেইদৰে স্বকীয় গুণবিশিষ্ট একাঙ্কিকাক জাতত তুলি ললে জাতিৰ শক্তি হ্ৰুটুটে বৰং বঢ়াটোহে সম্ভৱ।

আজি কিছু দিনৰ পৰা অসমত একাঙ্কিকা নাটৰ প্ৰসাৰ আৰু প্ৰচাৰ বাঢ়িছে। বুজন পৰিমাণে একাঙ্কিকা নাট ৰচিত আৰু অভিনীত হৈছে। এৰাধৰাকৈ বছৰি একাঙ্কিকা নাটৰ সম্মিলন পাতি এচাম শিল্পীয়ে এই বিষয়ত মনোনিবেশ কৰিছে। সংখ্যাত বৰ বেছি

নহলেও ইয়াৰ ভিতৰৰ খনচেৰেক উত্তম একাঙ্কিকা নাটৰো সৃষ্টি নোহোৱাকৈ থকা নাই। ইয়াৰ সম্যক গুণাগুণ প্ৰকাশ কৰিবৰ নৌ এথোন। এই কথা স্বীকাৰ কৰিবই লাগিব যে বেছি ভাগ অসমীয়া একাঙ্কিকাই প্ৰহসন জাতীয় আৰু অনুবাদমূলক। এইবোৰৰ কাহিনীৰ লগত চুপতাচুপতি, দন্দ-খৰিয়াল, দাম্পত্য কলহ, সহজীয়া প্ৰেম আদিৰ প্ৰাধান্য দেখা যায়। দুই এখনত অৱশ্যে বিষয়বস্তুৰ নতুনত্ব, চিন্তাশীলতা আৰু চিন্তাধাৰাৰ মনস্তাত্বিক বিশ্লেষণ আদিৰ প্ৰশংসনীয় প্ৰচেষ্টাও পৰিলক্ষিত হয়। এই চেতনা নাটিকাখনিতো তেনে এটা প্ৰচেষ্টা দেখি আমি সুখী হৈছোঁ। ইয়াৰ বিষয়বস্তুৰ লগত চিকিৎসা-বিজ্ঞানৰ সম্পৰ্ক আছে। নাটৰ কষটিশিলা ৰঙ্গমঞ্চ। এই নাটিকাখনি যোৰহাটৰ ৰঙ্গমঞ্চত উপস্থাপন কৰি দৰ্শকক সন্তুষ্ট কৰিব পৰা বুলিও জনা গৈছে। নাট্যকাৰ শ্ৰীমান সৌৰীন্দ্ৰপ্ৰসাদ বৰুৱা ন লিখক হলেও 'চেতনা'ই তেওঁৰ উজ্জ্বল সম্ভাৱনাৰ ইঙ্গিত দিছে নিশ্চয়। তেওঁ যেন হাতৰ কাপ নমাই নথয় আৰু নাটশালৰ লগত সম্পৰ্ক বিছিন্ন নকৰে ইয়াকে আমি কামনা কৰিলোঁ।

তপোবন, উজানবজাৰ
গুৱাহাটী (১)

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
১।৬।৬৬

# উছৰ্গা

---পখীৰ কাকলি কুজনে
সৰালে পলাশ ফুল
সেই আশিসে
শিৰৰ সেন্দূৰে—
ৰঙে ৰঙে মোক যাচিলে
এটি নৱ ফুল—
'পোনাকণ' মোৰ—প্ৰথম পোহৰ
তোমাকে যাচিলোঁ। 'চেতনা' মোৰ।—

মৰমেৰে
তোমাৰে
দেউতাৰা।

* * *

## চৰিত্ৰ

অলক

জিতেন

মঘাই

ভুবন শৰ্ম্মা

খাৰঘৰীয়া

অমৰ

কুকী

# চেতনা

সাধাৰণভাৱে সজ্জিত এটা বহা খোঁটালী। তাৰে একোণত বেহেলা আৰু তবলা সজাই থোৱা; বেৰত একালে কৰি জিগৰমুৰাদাবাদীৰ আৰু আনমূৰে কৰি ৰবি ঠাকুৰৰ ছবি। বেহেলা আদি থকা ফালে মেজত পানীৰ ঝাৰ এটাত পানী আৰু এটা গিলাছেৰে ঢকা। বেহেলাৰ বাকচৰ ভিতৰত 'শ্লিপিং টেব্‌লেট' কাগজেৰে বন্ধা আৰু ৰজন আদি থাকে। 'ছ্ফা ছেট্'টো বেতৰ। মেজৰ ফুলদানিত ফুল সজোৱা থাকে। × × × আঁৰকাপোৰ উঠাৰ লগে লগে অলকক দেখা যায় চকীত বহি বেহেলাখনত আঙুলিৰে টুংটুঙাই থকা, ভাবত মগ্ন। মৌন পৰিস্থিতি। আবহসঙ্গীত—মাইকত ভৈৰৱী ৰাগৰ পৰ্দা কেইটাত আঙুলিৰে বেহেলাত সুৰ তুলিব লাগে। অলক বৈ যায়। আবহসঙ্গীত বন্ধ হয়। বহাৰ পৰা উঠি ভাবত মগ্ন অলকে বেহেলাৰ 'বো'-ডাল আনিবলৈ কোণত থকা বেহেলাৰ বাকচটোৰ পিনে উঠি যায়। 'বো'-ডাল বাকচৰ পৰা উলিয়াই তুলি লওঁতে অলকৰ চকু ক্ৰমে কৰি জিগৰমুৰাদাবাদীৰ আৰু তাৰ পিছত ৰবি ঠাকুৰৰ ছবিত পৰে। বিজুলী চাকিৰে পোহৰ নিৰ্দ্দেশ কৰিলে বেছি স্পষ্ট হব। জিগৰৰ ছবিত চকু পৰোঁতে বিজুলী চাকিৰ পোহৰ সেই ছবিত দিব লাগে আৰু ভিতৰত মাইক যোগে 'চায়েৰ' শুনা যায়। জিগৰৰ দুটি শাৰী তুলি দিয়া হল—জীৱন-তত্ব লৈ লিখা—ভিতৰৰ পৰা আবৃত্তি কৰিব লাগে।

দিলমেঁ কিসিকে ৰাহ কিয়ে জা ৰহা হুঁ মাঁই
কিতনা হঁসীন গুনাহ কিয়ে জা ৰহা হুঁ মাঁই
গুল্‌শন্ পৰস্ত হুঁ মুঝকো গুলহী নহী অজাজ
কাঁটোঁসে ভী নিবাহ কিয়ে জা ৰহা হুঁ মাঁই॥

( জিগৰমুৰাদাবাদী )

তাৰ পিছত অলকৰ চকু আনফালে থকা ৰবি ঠাকুৰৰ ছবিত পৰে। •ফোকাচ—সেই ছবিত তেতিয়াহে পৰিব আৰু ভিতৰৰ পৰা ৰবি ঠাকুৰৰ কৱিতাৰ এফাঁকি গাব লাগিব—

মৰিতে চাহিনা আমি সুন্দৰ ভুবনে।
মানবেৰ মাঝে আমি বাঁচিবাৰে চাই॥

লাহে লাহে অলক দৰ্শকৰ পিনে ঘূৰে আৰু 'বো'ডাল লৈ বজাব খুজি ৰৈ যায়। × × × এনেতে মঞ্চলৈ ধোঁৱা অলপ সোমাই আহে। এই ধোঁৱা ধুনাৰে দিব পৰা হয়। তাক 'ফেন' বা অন্য উপায়েৰে মঞ্চৰ ভিতৰলৈ পৰ্দাৰ দাঁতিৰ পৰা দিব পৰা হয়। ধোঁৱাৰ লগে লগে ভিতৰৰ পৰা ভৈৰৱী ৰাগৰ আলাপ বেহেলাত বজাব লাগে। অলকে কিন্তু বজাব নেলাগে। তেওঁ বো-ডাল লৈ বজাব খুজি ভাবি ৰৈ থাকিব। আলাপৰ লগে লগে পাতল বগা সাজপাৰ পিন্ধা এজনী ছোৱালী অৰ্থাৎ কুকী সোমাই আহে—মেলা চুলিৰে। অলকে অপলক নয়নে কুকীৰ পিনে চায়। কুকীয়ে স্থৰে স্থৰে প্ৰৱেশ কৰি আনফালেদি প্ৰস্থান কৰে। অলকে কুকী সোমোৱা আৰু ওলাই যোৱাৰ পিনে চায়। কুকী সোমাই যোৱাৰ লগে লগে আবহ সঙ্গীত অৰ্থাৎ ভৈৰৱী ৰাগৰ আলাপ বন্ধ হয়। × × × এই সকলোবোৰত বৰ বেছি সময় লব নেলাগে অথচ ভালকৈ প্ৰকাশো পাব লাগে। যিমানেই কলাস্থলভ হয় সিমানেই ভাল; কিয়নো এই সকলোবোৰেই অলকৰ মনৰ ভাব। সন্ধিয়াৰ পাঁচ বজাৰ ঘণ্টাৰ কোব শুনা যায়। অলকৰ সপোন ভাগে। অলকে বেহেলা আৰু বোডাল বাকচত ভৰাই থয়। লগে লগে 'ছাছপেঞ্চ মিউজিক' বাজি উঠে—মাইক যোগে। মিউজিক শীৰ্ষবিন্দু পায়গৈ। অলকৰ গাত কঁপনি উঠে। কঁপি কঁপি অলক বহি যায়, পুনৰ উঠে। মিউজিকৰ ওপৰত বহুত নিৰ্ভৰ কৰিব প্ৰকাশ কৰাত। × × × অলক আচলতে 'ড্ৰাগ্ এডিক্ট্'। গাত কঁপনি উঠাত নিজকে পাহৰি যোৱাৰ দৰে সুসজ্জিত কোঠাৰ সকলো আচবাব দলিয়াই পেলায়। কিবা বিচৰাৰ দৰে কোঠাটোত ঘূৰি ফুৰে—'ছাছপেঞ্চ মিউজিক' চলি থাকে; লগে লগে অলকে চিঞৰি মঘাইক মাতে—

অলক

( চিঞৰি ) মঘাই ! মঘাই !……( বুকু মোহাৰি কঁপি )

মঘায়ে তলমূৰ কৰি সোমাই আহি বিশৃঙ্খলাৰ কোঠাটোত চকু ফুৰায়। অলকৰ অৱস্থালৈ কেৰাহিকৈ চাই সহায়ৰ বাবে কাষ চাপি যায়। অলকে মঘাইৰ গাত ধৰি জোকাৰি দি চিঞৰি উঠে।

এই কোঠাত কোন সোমাইছিল ? মই ইয়াতে থৈছিলোঁ, কলৈ গ'ল ? তই থৈছ ? তই থৈছ ? উলিয়াই দে—এতিয়াই লাগে—দে। দে, দে, দে—

মঘাই

( অলকৰ পৰা আঁতৰি ভয়ত ) দেউতা ! মই একো কব নোৱাৰোঁ। আপোনাৰ কোনো বস্তুতে মই হাত দিয়া নাই দেউতা ! মই একো নেজানো।

এই বুলি প্ৰায় লৰ মৰাদি সোমাই যায়। কঁপি কঁপি অলকে বেহেলাৰ বাকচটো খোলেগৈ। বেহেলাখন মেজৰ ওপৰত থৈ বাকচটো লুটিয়াই বগৰাই চায়। …… বাকচৰ ভিতৰৰ পৰা প্ৰথমে ৰজন আৰু তাৰ পিছত 'শ্লিপিং টেবলেট' কাগজৰ টোপোলাৰ পৰা উলিয়াই কাগজখন মাটিত পেলাই ওচৰতে থকা পানীৰ 'ঝাৰ'ৰ পৰা এগিলাছ পানী লৈ 'টেব্‌লেট'খিনি খায়। কেই মুহূৰ্ত্তমান পিছত অলপ শান্ত হৈ চকীত বহি যায়। বেজাৰ মনেৰে তলমূৰকৈ অলকে ছ'ফাখনত আউজি পৰে। আঁৰকাপোৰৰ আঁৰত করুণ সঙ্গীত। × × × × জিতেন সোমাই আহে। কোঠাৰ পৰিস্থিতি আৰু নিৰ্ব্বিকাৰ হৈ বহি থকা অলকৰ মুখৰ পিনে চায়। আনফালেদি মঘাই সোমাই আহি এপদ দুপদকৈ কোঠাৰ আচবাব পুনৰ সজাই জিতেনক কয়—

বহক জিতেন দেউতা !

[ গামোচাৰে চকীখন মোহাৰি দি সোমাই যায়। ]

জিতেন

( অলকৰ পিনে চাই ) অলক ! তোৰ কি হৈছে ? তই কিয় এনেকৈ শিলৰ মূৰ্ত্তিৰ দৰে বহি আছ ? তোক সেই দিনাও এনে অৱস্থাত মই দেখা পাইছিলো। অলক ! তোৰ কি হৈছে মোক ক।

অলক

( লাহে লাহে মূৰ তুলি ) মই এডাল সাপ পুহিছোঁ জিতেন ! সেই সাপৰ বিষাক্ত দংশনৰ পৰা চান্দ সদাগৰৰ মেৰঘৰত সোমাই থাকিলেও কোনেও মোক ৰক্ষা কৰিব নোৱাৰে।

জিতেন

মানে ? বুজাই ক। মই একো বুজি পোৱা নাই।

অলক

বুজি পাই তই কি কৰিবি ? জোৰ পুৰি মোৰ হাত পালেহি……।

জিতেন

তোৰ সুৰভৰা জীৱনত হেৰাই যোৱা সুৰৰ প্ৰতিধ্বনি শুনি শুনি নিজকে আৰু কিমান কষ্ট দিবি ?

অলক

যি অনাহূত বিষবৃক্ষৰ ৰঘুমলাই মোৰ জীৱনৰ সকলো সুখ, সকলো আনন্দ তিল তিল কৰি সুহি নিছে, তাৰ পৰা নিস্তাৰ পাবৰ মোৰ কোনো উপায় নাই জিতেন !

জিতেন

( সান্ত্বনাৰ সুৰত ) যেতিয়া দুখে মানুহৰ জীৱনৰ সকলো আশা-আকাঙ্ক্ষা নিৰাশাৰ বানপানীত উটুৱাই নিয়ে তেতিয়া সুখৰ মায়া-

মৃগই মানুহৰ অন্তৰৰ নিকুঞ্জবনত গোপনে শুই থাকে। আজি হয়তো এনে অপ্ৰত্যাশিত দুখ-বেদনাৰ সন্মুখীন হৈছ, কিন্তু কাইলৈ তয়েই হয়তো সকলো সুখৰ অধিকাৰী হবি—মাত্ৰ তাৰ বাবে লাগিব তোৰ অপৰিসীম প্ৰচেষ্টা।

অলক

প্ৰচেষ্টাৰ কথা কৈছ? যিকুৰা জুয়ে মোৰ অন্তৰ জ্বলালে, মোক জ্বলালে—সেইকুৰা জুইতে মোক জ্বলিবলৈ দে—।

জিতেন

সোণ যিমানেই জুইত পোৰে সিমানেই তাৰ উজ্জ্বলতা বাঢ়ে কিন্তু নকমে। দুখ অকল তয়েই পোৱা নাই। যেতিয়া দুখ পাবি সদায় মনত ৰাখিবি—তোতকৈয়ো দুখীয়া মানুহ পৃথিৱীত জীয়াই আছে।

অলক

জীৱন জ্বলোৱা জ্বলা জুইত জীয়াই থকাৰ কোনো মূল্য নাই জিতেন! মোৰ জীৱনত যি জুই এবাৰ জ্বলিল, সেই জুই নুমাবৰ বাবে নহয়।

জিতেন

সেইখিনিতে তোৰ ভুল—যি ভুল মই তোক বাৰে বাৰে শুধৰাবলৈ কৈ আহিছোঁ। জুই জ্বলে নুমাবৰ বাবে, জ্বলাবৰ বাবে নহয়। (অলপ সহজ হৈ) তোৰ ঘৰলৈ মই আহিছোঁ, শুদা মুখে পঠাবি নেকি? মঘাই। মঘাই!

[ মঘাই সোমাই আহে। ]

মঘাই

মোক মাতিছিল দেউতা ?

জিতেন

অথনিয়েই আহিলোঁ, এটোপা চাহপানীও তই দিব নেপাৰ নে ? যা, যা, সোণকালে চাহ একাপ কৰি আনগৈ।

মঘাই

আনোগৈ দেউতা ! বহক।

[ ভিতৰলৈ সোমাই যায়। ]

অলক

( সহজ হৈ ) মই যদি কিবা কলোঁ নজনাত, বেয়া নেপাবি ভাই !

জিতেন

বলিয়া হলি নেকি ? আৰে, মই যে তোৰ বন্ধু !

[ গাত চপৰিয়ায়। মঘায়ে চাহ দুকাপ আনি মেজত থয়। ]

মঘাই

খাওক জিতেন দেউতা ! ( অলকক ) দেউতা খক।

অলক

( জিতেনক ) মই ভিতৰৰ পৰা আহোঁ, তই চাহ খা।

[ ভিতৰলৈ সোমাই যায়। ]

মঘাই

( ইফালে সিফালে চাই জিতেনক কয় ) দেউতা ! আমাৰ হাকিমৰ বাবে আপুনি কিবা এটা গাত লাগি নকৰিলে কৰোঁতা নাই। এইখন ঘৰ হৈ থকা নাই দেউতা ! আজি এমাহমানৰ পৰা যি কলি

ঘৰখনত সোমাল, সেই কলিয়ে ঘৰখনৰ চাৰিবেৰ পৰ্য্যন্ত নেৰা হল। ঘৰ বুলিলেতো দেউতা জীয়াই থকা মানুহে মৃতকৰ বাবে সাজি দিয়া মৰিশালি নুবুজায়! আজি পঁচিছ বছৰ হল মই ইয়াতে কাম কৰা কিন্তু কাহানিও এনেকুৱা হোৱা নাছিল— (কান্দিব খোজে)

জিতেন

মঘাই! দেউতাৰৰ কি হৈছে মোক অলপ কব পাৰিবি নে? তোৰ দেউতাৰৰ মই বন্ধু, তাৰ এনে অৱস্থাত মই যদি অলপো সহায় কৰিব নোৱাৰেঁ। তেন্তে আমাৰ বন্ধুত্ব ক'ত থাকিব? মই তাৰ কাৰণে সকলো কৰিম। তই কিবা যদি জান মোক ক।

মঘাই

(ইফালে সিফালে চাই) দেউতা! মই একো বুজিব পৰা নাই। কিবা দেৱাইবোৰ খায় দেউতাই। সেই দেৱাইবোৰ বিচাৰি নেপালে দেউতাই মানুহ পৰ্য্যন্ত মাৰিব খোজে। দেৱাই নেখালে দেউতাৰ গাত কিবা বেমাৰ হোৱাৰ দৰে কঁপনি উঠে। (ভয়ত) আপোনাক কোৱা বুলি জানিলে মোক শুদাই নেৰিব দেউতা। (হাতত ধৰি) আপুনি নকব দেউতা!

জিতেন

(নিজকে কোৱাৰ দৰে) দেৱাই? কি দেৱাই অ'?

মঘাই

(ভিতৰলৈ চাই) কিবা পিলবোৰ খায় দেউতা।

জিতেন

পিল ! কি পিল ?

মঘাই

( মঘায়ে অলকে পেলাই যোৱা দৰবৰ কাগজখন তুলি জিতেনক দেখুৱাই কয় )

এয়া দেউতা। এই দেৰাইবোৰকে খায়।

[ জিতেনে কাগজখন লৈ ভালকৈ নিৰীক্ষণ কৰে ]

জিতেন

( নিজকে কোৱাৰ দৰে ) 'শ্লিপিং টেবলেট'। ( মঘাইক ) সদায়েই খায় নেকি ? কিমান দিনৰ পৰা খাইছে মঘাই ?

মঘাই

সদায়েই খায় দেউতা ! আজি প্ৰায় এমাহমানৰ পৰাই খাই অহা মই দেখিছোঁ। তাৰ আগতেও খাইছিল যদি নেজানো। বেলেগ ঠাইত দেউতাই দেৰাইবোৰ লুকুৱাই থয় আৰু কোনোবাই দেখা পায় বুলি দেউতাই ভয় কৰে। দেৰাই খাবৰ সময়ত কাকো চাবলৈকো নিদিয়ে।

জিতেন

( নিজকে কোৱাৰ দৰে ) সদায়েই খায় ! তাৰ মানে সি তেন্তে 'ড্ৰাগ-এডিক্ট' ?

[ এনেতে অলক সোমাই আহে। মঘায়ে লৰালৰিকৈ ভিতৰলৈ সোমাই যায়। জিতেনে ভাব সলাই, কাগজখন লুকুৱাই থৈ কয়। ]

জিতেন

তোৰ চাহ চেঁচাই হব পায় অলক !

অলক

নাই, ঠিক আছে। মোৰ খাবৰ মন নাই। জিতেন! বহ।

জিতেন

নবহোঁ অলক! মই এফালৰ পৰা আহোঁহে।

(যাব খুজি পুনৰ ঘূৰি আহি অলকৰ হাতত ধৰি)

মোৰ কথা এটা ৰাখিবি অলক?

অলক

কি কথা ক।

জিতেন

ৰাখিম বুলি কথা দে অলক! কথা দে।

অলক

(আচৰিত হৈ) ৰাখিম বাৰু ক।

জিতেন

(আনন্দিত হৈ) ৰাখিবি? ঠিক আছে, ঠিক আছে। মই বাৰু এতিয়া যাওঁ।

জিতেনে লাহে লাহে ওলাই যাওঁতে কৈ যোৱা মাইকত ভিতৰৰ পৰা ভাহি উঠে—'স্লিপিং টেবলেট'! সদায়েই খায়। তাৰ মানে সি কি 'ড্ৰাগ এডিক্ট'? ব্ৰজেন খাৰঘৰীয়া আৰু ভুবন শৰ্মা সোমাই আহে। খাৰঘৰীয়া এজন আদহীয়া মানুহ। খদ্দৰৰ পাঞ্জাবী, পামছু, চুৰিয়া পিন্ধা; পৰ্টফলিঅ' বেগ, জেপত ডাঙৰ পেন আৰু ছাতি এটা হাতত লৈ আহে। শৰ্মাই চাহাবী পোছাকত খাৰঘৰীয়াৰ পাছে পাছে সোমাই আহে।

খাৰঘৰীয়া

(চিঞৰি আহে) অলক! অলক আছ নে? (দেখি) অ' দে বোপাই! তোকে ভাবি ভাবি ওৰে বাটটো আহিছোঁ।

(অলকৰ গাত হাত ফুৰাই) অহ ভালে আছ বোপাই?

অলক

(শৰ্মাৰ পিনে চাই) হয় আছোঁ।

খাৰঘৰীয়া

(শৰ্মাক দেখুৱাই) এয়া আমাৰ ভুবন শৰ্মা, বিলাতফেৰত। সেই আমাৰ তাহানিৰ গোপী শৰ্মাৰ দ্বিতীয় পুত্ৰ। তেখেতো তাহানিৰেই আকৌ বিলাতফেৰত আছিল বোপা! (শৰ্মাৰ গাত হাত ফুৰাই) বেছ, বেছ, দেউতাকৰ নাম ৰাখিছে বেচেৰাই। গোপী ককাইদেৱে আটাইকেউটি ল'ৰা-ছোৱালীকে দেহি মানুহ কৰি গ'ল।

অলক

বহক মিঃ শৰ্মা! আপোনাৰ সতে চিনাকি হবলৈ পাই বৰ আনন্দ পালোঁ।

শৰ্মা

'আই এম্ অল্‌চ' অ'ফুলি গ্লেড্ টু মিট্ ইউ মিঃ ফুকন!' আপোনাৰ কথা বহুত দিনৰ পৰাই শুনিছো, কিন্তু সাক্ষাতৰ সুবিধা মাত্ৰ আজি হল। মিঃ খাৰঘৰীয়াৰ মুখে আপোনাৰ গুণৰ কথা শুনি শুনি আপোনাৰ নামটো ইমান পৰিচিত হৈ পৰিল যেন ইয়াৰ আগতে ক'ৰবাত কেতিয়াবা কেনেবাকৈ লগ পাইছিলো এনে 'আইডিয়া' হয়।

অলক

আপোনাৰ দেউতাকৰ কথা নজনা মানুহ নাই, তাতে আমাৰ পৰিয়ালৰ সৈতে তেখেতৰ বেছ ঘনিষ্ঠতা আছিল।

খাৰঘৰীয়া

তেখেতক, বুজিছ বোপা ! আমি তাহানি ককাইদেউ বুলি মাতিছিলো - (হাঁহি) বুঢ়াৰ বৰ চখ আছিল। এই তোৰ মাছ, মাংস, ঘিঁউ, মাখন, কণী আদি নহলে নচলেই। মই গলে কয় 'এই লাঠুৰা', মোক আকৌ লাঠুৰা বুলি মাতিছিল, 'কত ঘূৰি ফুৰিছ ?' কাণ দুখনত ধৰি লব আৰু 'ভাত খালি নে নাই ? খাই যা'। ইস্ ইস্ আজিও ভাবিলে কিবাখন লাগি যায়। আমি খুউব মৌজত খালোঁহক। কিমান আনন্দ বোপা ! তেতিয়া বস্তুবো উভৈনদী আছিল নহয়। আজিকালিৰ দৰেতো লোফ, বিস্কুট, ডালডা বনস্পতি খাব নেলাগে। এতিয়া মোলৈকে চা, এই 'ফৰ্টি ফাইভ্ ইয়াৰ্ছ' হলহি, এতিয়াও জানো বেছ তজবজীয়াটো হৈ থকা নাই ? দিনে দহ-বাৰ মাইল বাট খোজকাঢ়ি ফুৰা নাই ? এতিয়া তোকে লগ ধৰিবলৈ ইমান দূৰ খোজকাঢ়ি আহিছোঁ ! কিন্তু চা চা পোনা ! ভাগৰ বোলা বস্তুটো মোৰ গাত দেখিছ নে ?

(অলপ পৰ অলকলৈ চাই নিজৰ মুখখন হাতেৰে মোহাৰি মোহাৰি)

কেনে বোপা ! ঠিকে আছোঁ নে বাৰু ?

অলক

দদাইদেউ ! আপোনাৰ সমান বয়স হলে আমাৰ কি হব ভাবিবই নোৱাৰোঁ।

খাৰঘৰীয়া

নোৱাৰোঁ নহয়, কেনেকৈ পাৰিবি ?

শৰ্ম্মা

'দেট্‌চ্‌ ৰাইট্' ! আমাৰ ৰাজহাড় বেকা হৈ পৰিব।

খাৰঘৰীয়া

( হাঁহি ) হেঃ হেঃ হেঃ, আজিকালিৰ খানা খাই আপুনি শিল খাই শিল হজম কৰিব কেনেকৈ ? পাৰিছিলো আমি।
( শৰ্ম্মাৰ পিনে চাই ) পিছে শৰ্ম্মা ! নবহিল দেখোন ? বহক, বহক। এইখন ঘৰ মোৰ বুলিয়েই ধৰিব। অ' ময়ো বহোঁ। অলক বোপা ! তয়ো বহ। ( তিনিও বহে। )

শৰ্ম্মা

কওকচোন ফুকন ! আপোনাৰ 'কালছাৰ' কেনে চলিছে—অৰ্থাৎ মিউজিক।

অলক

মিউজিক—নাই মিউজিকৰ লগত মোৰ কোনো সম্পৰ্ক নাই শৰ্ম্মা !

শৰ্ম্মা

আপোনাৰ নিচিনা এজন নামজ্বলা আৰ্টিষ্টৰ যদি মিউজিকৰ লগত সম্পৰ্ক নাই তেনেহলে আছে কাৰ ? সঙ্গীত মোৰ বৰ প্ৰিয়,

নিজে যদিও সেই ফিল্ডত নমা নাই। মই বিলাতত থাকোঁতে এবাৰ এখন অপেৰা চাইছিলো।

ভিতৰৰপৰা অলপ পশ্চিমীয়া সঙ্গীতৰ সুৰ শুনা যায়—শৰ্মাৰ
মনৰ ভাব প্ৰকাশৰ বাবে

কি টেক্‌নিক্ সিহঁতৰ! 'আৰ্ট ইন্ দি ট্ৰু ছেঞ্চ অব্ দি টাৰ্ম' বুজিছে ফুকন?

অলক

হয়, কিছুমান শিল্পীৰ সৃজনীশক্তিৰ নিপুণতাক স্বীকাৰ নকৰি নোৱাৰি।

শৰ্ম্মা

তেন্তে আপোনাৰ নিচিনা এজন শিল্পীৰো মিউজিকৰ লগত সম্বন্ধ নথকাৰ মানে? আপুনি মিউজিক এৰিব নোৱাৰে, 'নেভাৰ গিভ্ ইট্ আপ্' এৰি নিদিব। সুৰৰ সমলয়েই জীৱন বুলি আপুনি নজনা নহয়।

(খাবঘৰীয়াই কথাবোৰ শুনি আমনি পোৱা যেন কৰে।)

অলক

যাৰ জীৱন সুৰৰ বন্ধনেৰে বান্ধি ৰাখিব নোৱাৰি, সেই জীৱনত সুৰ সাধনা নিষ্প্ৰয়োজন।

শৰ্ম্মা

অ'হ, 'ন', ন', ন', মই আপোনাৰ যুক্তি মানি লব নোৱাৰোঁ। আপোনাৰ ভিতৰত 'টেলেণ্ট' আছে। আপুনি—

খাৰঘৰীয়া

( কেচ্চিং ) অহ শৰ্ম্মা ! আপোনাৰ কথা ঠিক। ইয়াৰ গুণ-গৰিমাৰ কথা কোনে নেজানে। যেনিয়েই যাওঁ তাৰ কথা এষাৰ কাণত পৰেই। ( সলনি হৈ ) পিছে বোপা ! মোৰ কামটো বাৰু হবগৈ নে ?

শৰ্ম্মা

( খাৰঘৰীয়াক কোৱাৰ দৰে ) ইন্সিওৰেন্সৰ মানুহ ঘৰত সোমোৱা আৰু সাপ ঘৰত সোমোৱা একেই কথা।

খাৰঘৰীয়া

শৰ্ম্মা ! মোক কিয় দুখ দিয়ে ? এই ইন্সিওৰেন্সৰে যিকিটি পাওঁ তাৰেই চলোঁ। পেটৰ কাৰণে নাটে যদিও কিবা এটাটো কৰি খাব লাগিব, নহয় নে অলক বোপা ?

অলক

দদাইদেউ ! মই ইন্সিওৰেন্স কৰিলে কি হব ? ইন্সিওৰেন্স কৰি মোৰ—

খাৰঘৰীয়া

…কিয়, ইন্সিওৰেন্স কৰিলে কাৰবাৰ জানো ক্ষতি হয় ? অ' বোপা ! মোলৈকে চাই ইন্সিওৰটো কৰ। মইতো বেছি বিচৰা নাই। তাতে তোৰ নিজৰ ভৱিষ্যত আছে—।

অলক

ভৱিষ্যত ? মোৰ ভৱিষ্যত নাই দদাইদেউ !

শৰ্ম্মা

'নাও ডণ্ট ছে দেট্।' চব কলে মানি লব পাৰোঁ কিন্তু আপোনাৰ 'ফিউছাৰ' নাই বুলিলে মই 'ডিবেট্' নকৰি নেৰো।

অলক

বাৰু শৰ্ম্মা! আপোনাৰ কথাই মই মানি ললোঁ। মোৰ ভৱিষ্যত আছে, মোৰ সকলো আছে। (অলপ বৈ নিজকে কোৱাৰ দৰে) হাঃ! কিন্তু ডিবেট্ কৰি লাভ নাই! (সুৰ সলাই) কথা যেতিয়া দিছিলোঁ। দদাইদেউ! মই দহ হেজাৰৰ ইন্সিওৰ এটা কৰিম বাৰু।

খাৰঘৰীয়া

(বহাৰ পৰা উঠি) হব, হব সোণ! সেয়ে হব। দহ হেজাৰেই যথেষ্ট (বেগৰ পৰা ফৰ্ম্ম এখন উলিয়াই) তেনেহলে এই ফৰ্ম্মখনত চহী ফুটা দে।

(জেপৰ পৰা কলম আগবঢ়ায়। চহী কৰোঁতে
অলকৰ হাত কঁপা দেখা যায়।)

তোৰ দেখোন হাত কঁপিছে?

অলক

(ভয় খায়। পুনৰ 'চাচপেঞ্চ মিউজিক' অলপ ভাহি আহে)

নাই, একো হোৱা নাই মোৰ। ক'তা হাততো কঁপা নাই!

(হাত দুখন লুকুৱাবলৈ যত্ন কৰা দেখা যায়।)

খাৰঘৰীয়া

কাইলৈ মই ডাক্তৰ ৰয়ক লৈ আহিম 'মেডিকেল ফিট্‌নেছ্' চাৰ্টিফিকেটৰ বাবে।

( অলকৰ ভয় ভাব। মাইকত ভিতৰৰ পৰা কৈ থাকিব—ডাক্তৰ ৰয়! মেডিকেল ফিট্‌নেচ্ চাৰ্টিফিকেট! আৰু মই!...কিন্তু!·· মিউজিক বন্ধ হয়।

খাৰঘৰীয়া

তেন্তে বোপা! আমি উঠোঁহে। শৰ্ম্মা! আপুনি বহে নেকি ?

শৰ্ম্মা

ময়ো যাওঁ খাৰঘৰীয়া! ( অলকক মিঃ ফুকন! যাওঁহে এতিয়া। 'বাট্ মাইণ্ড' আপোনাৰ ওপৰত বহুত আশা থাকিল···।

অলকে দুয়োৰে সৈতে মাত লগায়। খাৰঘৰীয়া আৰু শৰ্ম্মাৰ প্ৰস্থান। এনেতে কুকীৰ স্বামী অমৰ দুৱৰা সোমাই আহে। ]

অমৰ

( সোমাই আহি ) আপুনিয়েই বোধকৰোঁ অলক ফুকন ?

অলক

হয়। আপুনি ? আপোনাৰ পৰিচয় মই জানিব পাৰোঁ নে ?

অমৰ

মোৰ নাম অমৰ দুৱৰা। মোৰ 'ৱাইফ্' কুকী আপোনাৰ বান্ধৱী। তেওঁৰ মুখে আপোনাৰ কথা শুনিছো। মই কিন্তু এটা স্বাৰ্থ লৈহে আপোনাৰ ওচৰলৈ আহিছোঁ।

অলক

বহক। (দুয়ো বহে) কওক আপোনাক মই কিদৰে সহায় কৰিব পাৰোঁ ?

অমৰ

কুকীকতো আপুনি জানেই। তেওঁক আপুনিয়েই আগতে বেহেলা শিকাইছিল। (অলকে কিবা ভাবি ৰয়।) এতিয়াও আপুনি যেন দয়া কৰি তেওঁক আগৰ দৰেই বেহেলা শিকায়, তাকে অনুৰোধ কৰিবলৈ মই আহিলোঁ। সঙ্গীত কুকীৰ জীৱনৰ এটা অঙ্গ আছিল। মোৰ লগত সাংসাৰিক ধৰ্ম্মৰ যোগসূত্ৰ আৰম্ভ হোৱাত সেই অঙ্গ যাতে বিকলাঙ্গ নহয় তাকে মই কামনা কৰি আপোনাৰ ওচৰ চাপিছোঁ। মই নিজেও সঙ্গীতানুৰাগী আৰু ভাবোঁ যিসকলে সুৰক এবাৰ সাৱটি লৈছে সেই সুৰৰ মূৰ্চ্ছনা যাতে কাহানিও নেহেৰায়। এনেস্থলত আপুনি কথা দিলেই আমি দুয়ো সুখা হম।

অলক

(কিবা ভাবি থাকি হঠাৎ কয়) অ' অ'—কিন্তু মই নিজেই আজিকালি সঙ্গীত চৰ্চ্চাৰ পৰা আঁতৰি আহিছোঁ। তেনেস্থলত আপুনিয়েই কওকচোন মই—মোক মাফ কৰিব দুৰৰা! মোক মাফ কৰিব।

অমৰ

মই বহুত আশা লৈ আহিছোঁ ফুকন! আপোনাৰ প্ৰতি কুকীৰ শ্ৰদ্ধা থকা বাবেই মই আজি আপোনাৰ সৈতে চিনাকি হৈছোঁহি।

মোক বিমুখ নকৰিব। কুকীও মোৰ লগতে আহিছে। আপোনালোকৰ ঘৰৰ ওচৰৰ ৰীতাৰ ঘৰত সোমাইছে। বোধকৰোঁ এতিয়াই পাবহি। (অলকৰ ভাৱ প্ৰকাশ) আপুনি বিমুখ কৰাটো গম পালে কুকীয়ে মনত বৰ দুখ পাব ফুকন!

অলক

কিন্তু মই যে অপাৰগ?

[কুকী সোমাই আহে। আঁৰকাপোৰৰ আঁৰৰ পৰা আগৰ ভৈৰৱী ৰাগৰ অলপ আলাপ লগে লগে ভাহি আহে। কুকী বেলেগ সাজত বিবাহিতা সাজে সজ্জিতা।]

অমৰ

এয়া কুকী আহিলেই।

(অলকে কুকীলৈ চায়। আবহ সঙ্গীত বন্ধ হয়।)

কুকী

অলক দা! ভাল?

অলক

(সহজ হৈ) কুকী! এই মাত্ৰ দুৰবাৰ সৈতে চিনাকি হল। তোমালোক দুয়োকে একেলগে দেখা পাম বুলি মই কল্পনাই কৰা নাছিলোঁ। আজি মই নিজকে বৰ সৌভাগ্যৱান বুলি ভাবিছোঁ।

(কুকীয়ে লাজ কৰাৰ দৰে ওৰণীখন ঠিক কৰি লয়।)

চেনা ৩৭৫



অমৰ

ইমান পলম কৰিলা কিয় কুকী ?

কুকী

ৰীতাই বহুত দিনৰ মূৰত পালেতো—এৰিকে নিদিয়ে। আপুনি কিন্তু আগতে গুচি অহাত তাই বৰ বেয়া পাইছে।
( গাৰ ধূলি হাতেৰে গুচাই অমৰক কয় ) কাইলৈ কিন্তু যাব লাগিব। মই তাইক কথা দি আহিছোঁ।

অলক

( নিজকে কোৱাৰ দৰে ) ৰীতাকো বহুত দিন দেখা নাই।

অমৰ

বুজিছা কুকী ! মই ৰীতাহঁতৰ তাৰ পৰা যি উদ্দেশ্য লৈ আগতে আহিলোঁ আৰু আমি যি কথা মনতে পাঙিছিলো, সেই কথাৰ উত্তৰ তোমাৰ বন্ধুক সোধা।

কুকী

তুমি কি উত্তৰ দিলা অলক দা জানিব পাৰোঁ নে ?

অলক

মানে মই মোৰ কথাটো ভাবি চোৱা কুকী !

কুকী

( গহীন হৈ ) তাৰ মানে তুমি মোক বেহেলা শিকাবলৈ ইচ্ছা নকৰা ?

অলক

( অস্বস্তি বোধ কৰি ) নহয়, পৰা হলে নিশ্চয় শিকালোঁহেতেন। কিন্তু মই যে নিজেই চৰ্চ্চা এৰি দিলোঁ।

অমৰ

বাৰু কুকী ! তোমাৰ বন্ধুক পাৰিলে মান্তি কৰোৱা। মই ইতি-মধ্যে তোমাৰ দৰবটো কিনি আনোগৈ। ( যাব খোজে )

অলক

অ' হুৱৰা ! অলপ বৈ অন্ততঃ এপিয়লা চাহ খাই যাওক

অমৰ

চাহ বাৰু পিছতো খাম ফুকন। মই আগতে দৰবটো লৈ আহোঁগৈ।

( ভিতৰলৈ সোমাই যায়। অমৰ যোৱাৰ লগে লগে ভিতৰৰ পৰা মাইকত ভাহি আহে—দৰব ! দৰব ! )

কুকী

( ভাবি থকা অলকৰ পিনে চাই কয় ) কি ভাবিছা অলক দা ?

অলক

( অপ্রস্তুত হৈ ) নাই ক'তা ? একো ভবা নাই। অ' মই চাহ কৰিবলৈ কওঁ ৰবা। ( মঘাইক মাতে ) মঘাই ! মঘাই !—

[ মঘাই সোমাই আহে ]

চাহ তাহ কি আছে দে।

মঘাই

ভাল বাৰু দেউতা ! ( কুকীক কয় ) আইদেউৰ ভাল নে ? বহুত দিনৰ মূৰত দেখা পালোঁ—আজি মোৰ বৰ ভাগ্য।

কুকী

মঘাই কাই ! তুমি ভালে আছা ?

মঘাই

কণা যমে নেমাৰি ৰাখিছে আইদেউ ! আপুনি বহক, মই চাহ-পানী অকণ কৰি আনোগৈ।

[ ভিতৰলৈ যায় ]

কুকী

( ভাবি ) তুমি খুব সুখী নহয় ?

অলক

( সজোৰে হাঁহি ) ওঁ, মই খুব সুখী। মোতকৈ সুখী আৰু পৃথিৱীত কোনো নাই—তুমিও জানা আৰু সকলোৱেই জানে।

কুকী

তোমাৰ জীৱনৰ বাটত কাঁইট বুলি ভাবি মোক আঁতৰাই এতিয়া তুমি নিজকে সুখী হোৱা বুলি জানিব পাৰি খুব ভাল লাগিল অলক দা !

অলক

কিয়, বাঞ্ছা নকৰা নেকি মই সুখী হোৱাতো ?

কুকী

মইতো কোৱা নাই বাঞ্ছা নকৰোঁ বুলি। ( সুৰ সলাই ) কিন্তু কিয় ? কি বুলি তুমি মোক……

অলক

কুকী ! তুমি এতিয়া বিবাহিতা ।

কুকী

সেই কথা ময়ো জানো। কিন্তু মই জানিব খুজিছোঁ তুমি মোক প্রতাৰণা কৰাৰ উদ্দেশ্য কি আছিল ?

অলক

প্রতাৰণা মই তোমাক কৰা নাই কুকী ! সুৰ-সাধনাৰ বাহিৰে আমাৰ মাজৰ অন্য সম্পৰ্কখিনিক মই মানি লোৱা নাছিলোঁ ।

কুকী

( বুজাৰ দৰে ইতিকিঙৰ সুৰত ) অ’— !

অলক

সেইবোৰ সপোন আছিল !

কুকী

অ’ সপোন আছিল । ( অলপ ৰৈ ) সুৰ-সাধনাৰ বাহিৰে আমাৰ মাজত যদি একো ভাবেই নাছিল, তেনেহলে তুমি মোক এতিয়া বেহেলা শিকাবলৈ অমান্তি হৈছা কিয় ?

অলক

( অসুবিধা বোধ কৰি ) কিন্তু কুকী ! মই—

DIBRUGARH ... COLLEGE LIBRARY Accession No. 374

কুকী

মই সকলো বুজিছোঁ অলক দা! ভয় নাই, তোমাৰ ধুনীয়া পৃথিৱীখনত মই জুই নজ্বলাওঁ।

অলক

নাই—নহয়—নহয় কুকী! তুমি মোক ভুল বুজিছা। মই তোমাক সেইদৰে কল্পনাও কৰিব নোৱাৰোঁ। তোমাৰ প্ৰতি মোৰ আন্তৰিকতাৰ শেষ হোৱা নাই।

কুকী

মোৰ স্বামী এজন মহান পুৰুষ। মই বেহেলা নিশিকিলেও দুখ নেপাওঁ। তোমাৰ কথা মোৰ স্বামীৰ আগত বিবৰি কৈ মোৰ কথা ৰখাব নোৱাৰাত মই অৱশ্যে কিছু লাজ পাম। তাৰো কিবা এটা কৰিব লাগিব। কিন্তু তেওঁ দুখ পাব। (সলনি হৈ) বাৰু অলক দা! তুমি মোক বেহেলা শিকাব নেলাগে। এতিয়া বেছি তৰ্ক কৰাতকৈ তোমাৰ বেহেলাকে অলপ শুনা যাওক। ৰ'বা, মই বেহেলাখন আনি দিছোঁ।

বেহেলাখন আনিবলৈ আগবাঢ়ি যায়। এনেতে মঘায়ে চাহ লৈ সোমাই আহে। কুকীয়ে বেহেলাৰ বাকচটো খোলে বুলি ভয়তে অলকে চিঞৰি সেইফালে আগবাঢ়ে। + + 'ছাছপেঞ্চ মিউজিক'ৰ আৱশ্যক হব। অলকে বাকচটোৰ ফালে আগবাঢ়োঁতে মঘায়ে অনা চাহৰ কাপ-প্লেট জোৰেৰে খুন্দা খায়। কাপ-প্লেট মাটিত পৰে। 'ছাছপেঞ্চ মিউজিক' চলি থাকে।

অলক

কুকী! তাত একো নাই, তাত একো নাই কুকী। তুমি সুখু-

লিবা, নুখুলিবা। মই বেহেলা এৰি দিলোঁ। বিশ্বাস কৰা, বিশ্বাস কৰা, মই বেহেলা বজাবলৈ এৰি দিলোঁ।

প্ৰায় চিঞৰি উঠে আৰু লৰালৰিকৈ গৈ বাকচটো সাৱটি ধৰে যাতে কুকীয়ে বাকচটো চুব নোৱাৰে তাকে চেষ্টা কৰে।

কুকী

( আচৰিত হৈ উচপ খোৱাৰ দৰে ) কি হল ? কি হৈছে তোমাৰ ?

[ মঘায়ে লাহে লাহে তলমূৰকৈ সোমাই যায়। অলকে ভয় খোৱাৰ দৰে কঁপি কঁপি বেহেলাৰ বাকচটো সাৱটি বৈ থাকে। 'ছাছপেঞ্চ মিউজিক' চলি থাকিব। এনেতে জিতেনৰ প্ৰৱেশ। ]

জিতেন

( অলকলৈ চাই ) কাইলৈ তই মোৰ লগত হস্পিতাললৈ যাব লাগিব। মই ছিট্ বুক্ কৰি আহিছোঁ।

কুকী

( আচৰিত হৈ ) হস্পিতাললৈ ? কিয় ? কোন যাব ? কাৰ কি হৈছে ?

জিতেন

অলক যাব কুকী !

অলক

( খঙত ) মোৰ কি হৈছে ? কিয় মই হস্পিতাললৈ যাম ? তহঁত ওলা ইয়াৰ পৰা—ওলা। ( কুকীক ) কুকী ! তুমি বেয়া নেপাবা— ( বুলি হাতেৰে যাবলৈ ইঙ্গিত দিয়ে )

জিতেন

ওঁহো, মই নেযাওঁ। তোৰ ফোপোলা গাজনিয়ে আজি মোক ভয় খুৱাব নোৱাৰে। কুকী ! তুমিও নেযাবা।

কুকী

অলক দা ! কিবা ভুল কৰিলোঁ যদি ক্ষমা কৰিবা। তোমাৰ সোণৰ সংসাৰত মই জুই দিবলৈ অহা নাছিলোঁ। তুমি আজি মোৰ আত্মসন্মানত আঘাত কৰিলা। অত দিনৰ মূৰত লগ পাই তোমাৰ পৰা অন্ততঃ এনে ব্যৱহাৰ পাম বুলি ভবা নাছিলোঁ। মই যাওঁ অলক দা ! হয়তো আজিয়ে আমাৰ মাজত শেষ দেখা।
( যাবলৈ উদ্যত হয়। )

জিতেন

কুকী ! তুমি তাক ভুল নুবুজিবা। সি 'ড্ৰাগ এডিক্ট'।

অলক

মোৰ একো হোৱা নাই আৰু মই জনাত কাৰো একো হোৱা নাই। ( সলনি হৈ ) হৈছে, মই 'ড্ৰাগ্-এডিক্ট'। মোক মৰিবলৈ দে, মোক জ্বলিবলৈ দে।
( অলকে ফোপাই থাকে। কুকীয়ে আচৰিত হৈ অলকৰ পিনে চাই থাকে। )

জিতেন

তই কি কৰিব খুজিছ ? মই তোৰ বন্ধু। তোৰ মঙ্গল কামনা কৰিয়েই মই আগবাঢ়ি আহিছোঁ। তই কিয় অবুজ হৈছ ? মই

ডাক্তৰৰ সৈতে পৰামৰ্শ কৰিহে তোৰ ওচৰলৈ আহিছোঁ ; মাত্ৰ তই ডাক্তৰৰ সৈতে সহযোগিতা কৰিব লাগিব।

কুকী

ড্ৰাগ-এডিক্ট কি ?

অলক

মই ড্ৰাগ্-এডিক্ট বুলি তোক কোনে কলে জিতেন ?

জিতেন

তই লুকুৱাই ৰাখিলেও মই নজনা নহয়। কুকী ! ই সদায়েই শ্লিপিং টেব্লেট্ খায়।

কুকী

কিয় খায় ? তাৰ পৰা কি হয় ? আমিও দেখোন কেতিয়াবা শ্লিপিং টেব্লেট্ খাওঁ।

জিতেন

শ্লিপিং টেবলেট খাবলৈ অভ্যাস কৰা মানুহৰ যেতিয়া দিনক দিনে খোৰাৰ মাত্ৰা বাঢ়ি যায় তেতিয়াই ই ড্ৰাগ্-এডিক্ট ৰোগলৈ পৰিণত হব পাৰে। এনে ৰোগীৰ ডাক্তৰৰ লগত সম্পূৰ্ণ সহযোগিতাইহে একমাত্ৰ প্ৰতিকাৰ। কিন্তু সাধাৰণতে এই ৰোগত ভোগাবিলাকে আনৰ আগত নিজৰ ৰোগৰ কথা প্ৰকাশ নকৰে আৰু তেনে ৰোগৰ পৰা সকাহ পাবলৈ যি দৰব আদি খায় তাকো আনৰ চকুৰ আঁৰত কৰে। সেই ক্ষেত্ৰত আচলতে দৰবে উপকাৰ কৰাতকৈ দিনে

দিনে ৰোগীৰ ৰোগ বাঢ়ি যোৱাতহে ইন্ধন যোগায়। চোৱা, চোৱা কুকী! সি তাৰ বেহেলাৰ বাকচটো এতিয়াও এৰা নাই। তাৰ মানে তাতে তাৰ এতিয়াও শ্লিপিং টেবলেট্ আছে।

কুকী

ঔ আই!

অলক

আছে, ইয়াত আছে। ইয়াক মই কেতিয়াও এৰিব নোৱাৰোঁ। ইয়ে মোক অন্ততঃ কিছু সময়ৰ বাবে হলেও জীয়াই ৰাখিছে। নহলে মোৰ যে জীয়াই থকাৰ কোনো উপায় নাই।

জিতেন

কোনে কয় নাই বুলি? তই এতিয়াও ভাল হবি। মাত্র তোৰ নিজৰ অলপ চেষ্টা লাগিব।

অলক

(মুখ উজ্জল হয়) মই ভাল হম? মোৰ জানো জীয়াই থকাৰ অধিকাৰখিনি ভগৱানে কাঢ়ি নিয়া নাই?

কুকী

(অলকাৰ কাষ চাপি) অলক দা! মোক বেহেলাৰ বাকচটো দিয়া।

অলক

নাই কুকী! মই বাকচ কেতিয়াও এৰিব নোৱাৰোঁ।

(জোৰেৰে বাকচটো সাৱটি থাকে।

কুকী

(দৃঢ় হৈ) মই লমেই।

[ বাকচটো প্ৰায় কাঢ়ি লোৱাৰ দৰেই লৈ আহে। ]

অলক

(খুলিব খোজা দেখি) নুখুলিবা কুকী। নুখুলিবা।

কুকী

নুখুলিম কিয় ? চাওঁচোন তুমি কেনেকৈ শ্লিপিং টেবলেট্ খোৱা ?

( পিলবোৰ উলিয়াই হাতৰ মুঠিত লয়। )

জিতেন

কুকীয়ে ঠিকেই কৰিছে অলক ! তই অথনি মোক কথা দিছিলি— মোৰ কথা ৰাখিম বুলি। কাইলৈ হস্পিতাললৈ তই যাবই লাগিব।

কুকী

(ভাবি) কিমান দিনৰ পৰা তোমাৰ এনে হৈছে অলক দা ? কেনেকৈ বা তোমাৰ শ্লিপিং টেবলেট খোৱাৰ অভ্যাস হবলৈ পালে ?

অলক

( ভাব প্ৰকাশ কৰি × × কোমল স্বৰৰ আবহ সঙ্গীত বজাব )
জীৱনত সঙ্গীত-সাধনাকেই মই মূলমন্ত্ৰ কৰি লৈছিলোঁ। মই সঙ্গীতৰ মাজত প্ৰাণ পাইছিলোঁ আৰু সঙ্গীতৰ উৎকৰ্ষ সাধনেই

মোৰ জীৱনৰ লক্ষ্য আছিল। সাধনাত নিজকে দিনে-ৰাতিয়ে বুৰাই থব পাৰিছিলো। এনে সঙ্গীত-চৰ্চ্চাৰ মাজেদি মোৰ বহু উজাগৰে ৰাতি পাৰ হৈছিল। মই আনন্দ পাইছিলোঁ—যি আনন্দৰ উৎস বিচাৰি বিচাৰি শেষলৈ মোৰ দুচকুৰ পৰা টোপনি পলাই গৈছিল। উপলব্ধি কিন্তু কৰা নাছিলোঁ এনে পৰিণাম হব বুলি। এইদৰে একেবাৰে যেতিয়া টোপনি নহা হল ডাক্তৰৰ লগত মই পৰামৰ্শ কৰিলোঁ। ডাক্তৰে শ্লিপিং টেবলেট খাবলৈ 'প্ৰেছ্‌ক্ৰাইব্‌' কৰিলে। শ্লিপিং টেবলেট খাই মই ভালভাৱে শুব পাৰিছিলো। কিছু দিনৰ পিছত মোৰ পুনৰ টোপনি নোহোৱা হ'ল। মই তেতিয়া নিজে কিনি আনি শ্লিপিং টেবলেট খাবলৈ ললোঁ। এই টেবলেট নেখালে মোৰ টোপনিয়েই নহা হল। টেবলেট খোৱাটো মোৰ অভ্যাসত পৰিণত হল। পিছত এনে হলগৈ সৰহকৈ পিল নেখালে মোৰ টোপনি নহাৰ বাহিৰেও মোৰ গাত এক অদ্ভূৎ বেমাৰে দেখা দিলে, যাৰ ফলত মোৰ গাত মাজেসময়ে কঁপনিৰ সৃষ্টি হয়, বিবেকে কাম নকৰা হয়। টেবলেটেই একমাত্ৰ সম্বল যি মোক পুনৰ সুস্থিৰ অৱস্থালৈ আনে। মোৰ বেমাৰৰ কথা মই জানো বাবেই কুকী! তোমাক মোৰ জীৱনৰ মাজলৈ আদৰি আনি তোমাৰ জীৱনটোক ধ্বংসৰ পথলৈ ঠেলি দিবলৈ ইচ্ছা নকৰিলোঁ। মৃত্যু মোৰ কাষ চাপি আহিছে বুলি মই জানিছিলো কুকী! আৰু সেই বাবেই তোমাৰ মাজেদি মোৰ সঙ্গীতক জীয়াই ৰাখিবলৈ বাঞ্ছা কৰিছিলো। যেতিয়া মোৰ শাৰীৰিক অসুস্থতা বেছি হৈ আহিল, সঙ্গীত-চৰ্চ্চাৰ প্ৰতি মোৰ অনুৰাগো দিনে দিনে টুটি আহিল! আজি বহুত দিন সঙ্গীতৰ লগত মোৰ সম্বন্ধ নাই—

এই বাবেই তোমাক বেহেলা শিকাবলৈ মান্তি হব পৰা নাছিলোঁ।
( সলনি হৈ ) কিন্তু কুকী ! এতিয়া মই তোমাক বেহেলা শিকাম।

[ অমৰ সোমাই আহে। অলকে বেহেলাখন লৈ কুকীৰ হাতত তুলি দিয়ে। অমব আৰু কুকীয়ে ৰংমনেৰে হাত পাতি লয়। ]

প্ৰতিশ্ৰুতি দিলোঁ যিমানদিন জীয়াই থাকোঁ আমি সঙ্গীত-সাধনা কৰিম। সুৰৰ মাজতেই মই জীয়াই থাকিম।
( জিতেনক ) জিতেন ! তোৰ কথা মই ৰাখিম ভাই ! মই বন্ধুৰ বন্ধুত্বক অবমাননা নকৰোঁ।

( জিতেনৰ কাষলৈ যায়। )

জিতেন

( দৰ্শকৰ পিনে )। হে সন্ধ্যা ! হাজাৰ ৰজনীগন্ধাৰ স্বপ্নেৰে ৰঞ্জিত এই মধুৰ ক্ষণটোক অতীতৰ সকলো ধুনীয়া স্মৃতিৰে সাৰটি লোৱা—অনাগত নতুন পুৱাৰ চোতালত ৰঙীন আশাৰ আবিৰ ছটিয়াই যোৱা।

( অলকক সাৱটি ধৰে। )

অলক ! আজি মই কিমান সুখী—

( জিতেনৰ কথা শেষ হোৱাৰে পৰা বেহেলাত পাহাৰী ৰাগ বজাব—আনন্দৰ পৰিস্থিতি বুজাবৰ বাবে। )

## আঁৰকাপোৰ

H. S. KANOI COLLEGE
LIBRARY
Accession No.
G-H-374